# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 16-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**---------------------------**

০০০০০০

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বমদিলা আৰু টাৱাং জিলাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত পাহাৰীয়া নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ভৈয়াম অঞ্চলত বানৰ সৃষ্টি হৈছে। বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী কেইবাখনো গাঁও বাঢ়নি পানীয়ে বুৰাই পেলাইছে। জিলাখনৰ চেলাইখাটি, মহজুলি বস্তি, নাহৰণি, মিছামাৰী, বৰপথাৰকে ধৰি কেইবাখনো গাঁও বানৰ কৱলত পৰিছে। একেদৰে গহপুৰ সমজিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মাজান আৰু ছত্ৰং নৈৰ বাঢ়নি পানীয়ে কালি বিস্তীৰ্ণ অঞ্চল বুৰাই পেলায়। শোণিতপুৰ জিলাৰ নদুৱাৰ বিধানসভা সমষ্টিৰ চাৰিদুৱাৰৰ অন্তৰ্গত বাকোলা, বাকোলাপথাৰ, আমলগা, ভালুকমাৰী, বুঢ়াগাঁও, দলংবস্তিকে ধৰি কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। প্ৰথমবাৰৰ বাবে গামানি ছপানলা গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। আজি বিধয়াক পদ্ম হাজৰিকাই বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়।

(বাইট)

নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল প্লাৱিত হৈছে। চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাসাৰ বৰষুণ আৰু নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলত জিলাখনৰ ধনশিৰি আৰু দৈয়াং নৈৰ লগতে উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পাইছে। কালি সন্ধিয়া পৰ্যন্ত লাভ কৰা তথ্য অনুসৰি জিলাখনৰ গোলাঘাট, খুমটাই, মৰঙী, সৰুপথাৰ আৰু বোকাখাতৰ পাঁচটা ৰাজহ চক্ৰ বানৰ কৱলত পৰিছে। জিলাখনৰ ৫৬ খন গাঁৱৰ চাৰি হাজাৰ ৫০০ৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। জিলা প্ৰশাসনে ১৫ টা আশ্ৰয় শিবিৰ মুকলি কৰিছে। যিকোনো জৰুৰীকালীন পৰিস্থিতিত জনসাধাৰণক ০৩৭৭৪-২৮০২২২ আৰু ০৩৬৭৪-২৮১৫২৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

বিগত দুদিন ধৰি ধাৰাসাৰ বৰষুণৰ ফলত কাছাৰ জিলাৰ বৰাক নদীৰ জলস্তৰ বৃদ্ধি পাইছে। ইয়াৰ ফলত শিলচৰকে ধৰি সমগ্ৰ জিলাখনত বানসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে।

০০০০০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক-বিৰোধী উভয় পক্ষই নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বিটিআৰৰ জিলাকেইখনত ব্যাপক প্ৰচাৰ চলাই আছে। কালিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী অতুল বৰা, ইউ পি পি এলৰ মুৰববী প্ৰমোদ বড়ো, বি পি এফৰ মুৰববী হাগ্ৰামা মহিলাৰীকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই প্ৰচাৰ চলায়।

ওদালগুৰি জিলাত বিজেপি-ইউ পি পি এলৰ লগতে বি পি এফ, কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ আৰু ৰাইজৰ দলেও প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মন্ত্ৰী পীযুষ হাজৰিকাই জিলাখনৰ বিভিন্ন অঞ্চলত প্ৰচাৰ

অভিযানত অংশ লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জিলাখনৰ ৰজাগড়ত প্ৰচাৰ অভিযান চলোৱাৰ কথা।

ওদালগুৰি জিলাত প্ৰচাৰ অভিযানৰ মাজতে দুই-এটা বিক্ষিপ্ত ঘটনা সংঘটিত হৈছে যদিও আৰক্ষী প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিছে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙে কালি ওদালগুৰিত উপস্থিত হৈ নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে আৰক্ষীক কঠোৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কলকাতাৰ ফৰ্ট উইলিয়ামত কালি সেনাবাহিনীৰ সন্মিলনত অংশগ্ৰহণ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ সীমান্তৰ নিৰাপত্তা সন্দৰ্ভত আলোচনা কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল আৰু সেনাবাহিনীৰ তিনিওটা গোটৰ মুৰব্বীৰ উপস্থিতিত অনুষ্ঠিত এই সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ সীমান্তৰ সুৰক্ষাৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। ভাৰতীয় উপ-মহাদেশত সলনি হৈ থকা ভূৰাজনৈতিক পৰিস্থিতিৰ বাবে সেনাবাহিনীৰ মাজত সমন্বয় বৃদ্ধি আৰু পৰিকাঠামো আধুনিকীকৰণ সন্দৰ্ভতো সন্মিলনত গুৰুত্ব আৰোপ কৰা হয়। প্ৰধানমন্ত্ৰীয়ে এই বৈঠকত পৰৱৰ্তী দুটা বৰ্ষৰ সামৰিক পৰিকল্পনাকলৈও আলোচনা কৰে। সেনাবাহিনীৰ সংস্কাৰ, পৰিৱৰ্তনক প্ৰাধান্য দিয়াৰ লগতে ভাৰতীয় সেনাবাহনীৰ যুদ্ধৰ সময়ত কেনে ধৰণৰ স্থিতি গ্ৰহণ কৰিব আদি বিষয়তো সন্মিলনত পৰ্যালোচনা কৰা হয়।

oooo

জনজাতিকৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ লগে লগে ছটা জনগোষ্ঠীৰ লোকসকলে প্ৰাপ্য মৰ্যাদা লাভ কৰিব। সেয়েহে জনজাতিকৰণৰ বাবে আন্দোলন কৰি সময়ৰ অপব্যৱহাৰ নকৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনজাতীয় সংগঠনসমূহৰ প্ৰতি আহ্বান জনাইছে। কালি চিৰাং জিলা ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে জনজাতিকৰণ সংক্ৰান্তত বিশেষ প্ৰতিবেদন পৰৱৰ্তী বিধানসভা অধিৱেশনত উত্থাপন কৰিব আৰু এই প্ৰতিবেদন অনুমোদিত হ'লেই কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ পঠিওৱা হ'ব বুলি প্ৰকাশ কৰিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে কেন্দ্ৰীয় চৰকাৰ আৰু মহা পঞ্জীয়কৰ অনুমোদন লাভ কৰাৰ পাছতে জনজাতিকৰণৰ চূড়ান্ত ঘোষণা হ'ব।

ইপিনে, জনজাতিকৰণৰ বিষয়ক লৈ ৰাজ্যত মৰাণ, টাই-আহোম আৰু কোচ-ৰাজবংশীকে ধৰি কেইবাটাও সংগঠনে ৰাজ্যজুৰি আন্দোলন অব্যাহত ৰাখিছে। মৰাণ জনগোষ্ঠীক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসনৰ দাবীত জনগোষ্ঠীটোৰ সংগঠনসমূহে ধাৰাবাহিকভাৱে আন্দোলন চলাই আছে।

ooooooo

**সমাপ্ত**